**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-07-2024
**Time :** 19-10 Hrs.

## *Assamese Evening Bulletin*
## *HEADLINES*

১। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে চৰকাৰে ২০২৫-২৬ চনৰ ভিতৰত দেশৰ বিত্তীয় ঘাটি ৪ দশমিক ৫ শতাংশলৈ হ্ৰাস কৰিব।

২। কেৰালাৰ ৱায়নাড জিলাত হোৱা ভূমিস্খলনৰ ঘটনাত নিহত লোকৰ সংখ্যা ৯৩ লৈ বৃদ্ধি পাইছে।

৩। প্ৰধানমন্ত্ৰী কিষাণ আঁচনিৰ অধীনত এঘাৰ কোটিৰো অধিক খেতিয়কক ৩ লাখ ২৪ হাজাৰ কোটিৰো অধিক টকা প্ৰদান কৰা হৈছে। *আৰু*

৪। ভাৰতৰ মনু ভাকৰ আৰু সৰবজোৎ সিঙে  পেৰিছ অলিম্পিকত ১০ মিটাৰ এয়াৰ পিষ্টলৰ মিক্সড শাখাৰ দলীয় শিতানত দেশৰ হকে দ্বিতীয়টো ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে।

০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে চৰকাৰে ২০২৫-২৬ চনৰ ভিতৰত দেশৰ বিত্তীয় ঘাটি ৪ দশমিক ৫ শতাংশলৈ হ্ৰাস কৰিব। লোকসভাত আজি ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সম্পৰ্কীয় আলোচনাৰ উত্তৰ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেঁও কয় যে, ভাৰত কোৰিডৰ পাছত সবাতোকৈ দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থাৰূপে পৰিগণিত হৈছে। ভাৰতবৰ্ষক ২০৪৭ চনৰ ভিতৰত উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ বাবে সকলোৱে একেলগে কাম কৰা উচিত বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে কোৰিড মহামাৰীৰ পাছতো ভাৰতীয় অৰ্থব্যৱস্থা উজ্বল স্থানৰ দৰে জিলিকি উঠিছে। মন্ত্ৰীগৰাকীয়ে বিগত ৩ বছৰত ভাৰতে বিশ্বৰ সবাতোকৈ দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থাৰূপে মৰ্যাদা অক্ষুন্ন ৰখাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে দেশৰ নাগৰিক, মধ্যবিত্ত, উদ্যমী, খেতিয়ক, উপান্ত শ্ৰেণীৰ শ্ৰমিক, আৰু ব্যৱসায়ীসকলক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভৱিষ্যদৰ্শী নেতৃত্ব অবিহনে এয়া সম্ভৱ নহলহেতেন।

ইয়াৰ পূৰ্বে লোকসভাত বাজেট সম্পৰ্কে আলোচনাত অংশ লৈ বিজেপিৰ দেৱেন্দ্ৰ সিঙে কয় যে, এই বাজেটে দেশক সৰ্বাত্মক বিকাশৰ দিশে আগুৱাই নিব। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰ কৃষকসকলৰ কল্যাণৰ বাবে দায়বদ্ধ আৰু বাজেটত কৃষি খণ্ডৰ উন্নয়নৰ বাবে বৃহৎ পৰিমাণৰ আৱণ্টনৰ প্ৰস্তাৱ দিয়া হৈছে। তেওঁ কয় যে, সমগ্ৰ দেশত প্ৰাকৃতিক কৃষি কাৰ্যক উৎসাহিত কৰাৰ ক্ষেত্ৰত এই বাজেটে বিশেষ ভূমিকা পালন কৰিব। তদুপৰি কৰ্মসংস্থাপন সৃষ্টিৰ বাবেও বাজেটত ভালেমান পদক্ষেপৰ কথা ঘোষণা কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে। ইয়াৰ বিপৰীতে সমাজবাদী পাৰ্টিৰ অখিলেশ যাদৱে কয় যে, এইবাৰৰ বাজেটখন কৰ্মসংস্থাপন হীনতা আৰু গ্ৰামাঞ্চলৰ উন্নয়নৰ প্ৰসংগত নীৰৱ বুলি ক'ব পাৰি। তেওঁ কয় যে, উত্তৰ প্ৰদেশৰ বাবে কোনো প্ৰকল্পৰ কথা বাজেটত ঘোষণা কৰা হোৱা নাই। ইপিনে চি পি আই এমৰ সাংসদ অমৰাৰামে বাজেটখনত কৃষক, সৈনিক, মহিলা আৰু দৰিদ্ৰসকলৰ বাবে বিশেষ কোনো সুবিধা ৰখা নাই বুলি অভিযোগ তোলে। এল জে পি ৰামবিলাশৰ ৰাজেশ বৰ্মাই ইয়াৰ বিপৰীতে কয় যে, বাজেটখনে যুৱপ্ৰজন্ম, মহিলা, দৰিদ্ৰ আৰু কৃষকসকলৰ সহায়ৰ বাবে ভালেমান ব্যৱস্থা ৰাখিছে।

ৰাজ্যসভাতো আজি বাজেট সন্দৰ্ভত পুনৰ আলোচনা অনুষ্ঠিত হয়। আলোচনাত অংশ লৈ এন চি পিৰ প্ৰফুল্ল পেটেলে কয় যে, কেন্দ্ৰীয় চৰকাৰে বিত্তীয় অনুশাসনমূলক দৃষ্টিভংগী গ্ৰহণ কৰাৰ লগতে ২০১৪ চনৰে পৰা দেশৰ বিত্তীয় অৱস্থা বৰ্তাই ৰখাত সফল হৈছে। তেওঁ কয় যে, যুৱক-যুৱতীসকলৰ বাবে নিয়োগ সৃষ্টি এইবাৰৰ বাজেটৰ অন্যতম লক্ষ্য হিচাপে পৰিগণিত হৈছে। তদুপৰি চৰকাৰে এইবাৰৰ বাজেটত আন্তঃগাঁথনি খণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি তেওঁ মন্তব্য কৰে।

অনুৰূপ মত প্ৰকাশ কৰি বিজেপি সাংসদ ভূৱনেশ্বৰ কলিতাই কয় যে এইবাৰ বাজেটত দৰিদ্ৰ, কৃষক, মহিলা, মধ্যবিত্ত আৰু আন্তঃগাঠনিৰ উন্নয়নত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। দৰিদ্ৰতা দূৰীকৰণৰ বাবে চৰকাৰে লোৱা পদক্ষেপৰ প্ৰশংসা কৰি সাংসদগৰাকীয়ে কয় যে, এনে পদক্ষেপৰ বাবে ২৫ কোটি লোক দৰিদ্ৰতাৰ কবলৰ পৰা মুক্ত হবলৈ সমৰ্থ হৈছে। তেওঁ কয় যে চৰকাৰে ৮০ কোটি লোকক বিনামূলীয়াকৈ খাদ্য সামগ্ৰী যোগান ধৰি আহিছে।

০০০

কেৰালাৰ ৱায়নাড জিলাত হোৱা ভূমিস্খলনৰ ঘটনাত নিহত লোকৰ সংখ্যা ৯৩ লৈ বৃদ্ধি পাইছে। এই ঘটনাত আহত ১২৮ জন লোকক বিভিন্ন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। জিলাখনৰ ভূমিস্খলন প্ৰভাৱিত এলেকাসমূহত উদ্ধাৰ অভিযান অব্যাহত আছে। স্থলসেনা বাহিনী আৰু নৌসেনা বাহিনীৰ লোকে উদ্ধাৰ অভিযানত সহায় কৰিছে আৰু মুন্দাক্কয়ম এলেকাৰ পৰা প্ৰায় ১৫০ জন লোকক উদ্ধাৰ কৰিছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পিনাৰায়ি বিজয়নে কৈছে যে, অঞ্চলটোত উদ্ধাৰ আৰু সাহায্য অভিযানৰ বাবে সম্ভাব্য সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী, তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিন, পশ্চিমবংগৰ ৰাজ্যপাল চি ভি আনন্দ বসুৱে তেওঁৰ সৈতে কথা পাতিছে আৰু সহায়ৰ হাত আগবঢ়াইছে। ৱায়নাড জিলাত স্থাপন কৰা ৪৫ টা সাহায্য শিবিৰত ৩ হাজাৰ ৬৯ গৰাকী লোকে আশ্ৰয় লৈ আছে বুলি তেওঁ প্ৰকাশ কৰিছে।

কেৰালা চৰকাৰে এই ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ সন্মানাৰ্থে আজিৰে পৰা দুদিনীয়া শোক ঘোষণা কৰিছে। এই সময়ছোৱাত সকলো ধৰণৰ ৰাজহুৱা অনুষ্ঠান আৰু উদ্‌যাপন বন্ধ থাকিব আৰু ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত হৈ থাকিব।

০০০

প্ৰধানমন্ত্ৰী কিষাণ আঁচনিৰ অধীনত এঘাৰ কোটিৰো অধিক খেতিয়কক ৩ লাখ ২৪ হাজাৰ কোটিৰো অধিক টকা প্ৰদান কৰা হৈছে। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি লোকসভাৰ এটা লিখিত উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী কিষাণ আঁচনিৰ সপ্তদশ কিস্তিৰ ধন হিচাপে যোৱা জুনত ৯ কোটি ২৬ লাখ কৃষক পৰিয়াললৈ ২০ হাজোৰ কোটিৰো অধিক ধন মুকলি কৰি দিয়া হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে, মুঠ ৫১ হাজাৰ ৮৪৯ গৰাকী প্ৰশিক্ষিত কৃষি সখীৰ ভিতৰত ৩৪ হাজাৰ ৯৭৩ গৰাকীক কৃষি পেৰা এক্সটেনচন কৰ্মীৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হৈছে।

০০০

ঝাৰখণ্ডৰ চক্ৰধৰপুৰ ৰে'ল সংমণ্ডলৰ বৰাবাম্বো আৰু খৰছাৱা ৰে'ল ষ্টেচনৰ মাজত আজি পুৱা হাওৰা-মুম্বাই মেইল ১৮ টা ডবা লাইনৰ পৰা বাগৰি পৰাত দুজন লোকে প্ৰাণ হেৰুৱায় আৰু অন্য কেইবাজনো

লোক আহত হয়। আহত যাত্ৰীসকলক স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ৰেল বিভাগে গুৰুতৰভাৱে আহত যাত্ৰীসকলক ৫ লাখ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ লগতে আহত যাত্ৰীসকলক ১ লাখ টকাকৈ এককালীন সাহায্য আগবঢ়াইছে। টাটানগৰ-চক্ৰধৰপুৰ ৰে'লপথত কেইবাখনো ৰেলৰ যাত্ৰা বাতিল কৰাৰ লগতে আন কেইবাখনো ৰেলৰ যাত্ৰাপথৰ সলনি কৰা হৈছে। দুৰ্ঘটনাস্থলীত উদ্ধাৰ অভিযান এতিয়াও অব্যাহত আছে।

০০০

ভাৰতৰ মনু ভাকৰ আৰু সৰবজোৎ সিঙে পেৰিছ অলিম্পিকত ১০ মিটাৰ এয়াৰ পিষ্টলৰ মিক্সড শাখাৰ দলীয় শিতানত দেশৰ হকে দ্বিতীয়টো ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। খেলুৱৈ দুগৰাকীয়ে আজি দক্ষিণ কোৰিয়াৰ অ'হ য়ে জিন আৰু লী ৱান্‌হোক ১৬-১০ ফলাফলত পৰাভূত কৰে। ইয়াৰ লগে লগে মনু ভাকৰ স্বাধীনোত্তৰ ভাৰতৰ ইতিহাসত অলিম্পিকৰ একেটা সংস্কৰণৰ দুটাকৈ পদক লাভ কৰা দেশৰ প্ৰথম গৰাকী খেলুৱৈৰূপে পৰিগণিত হয়। ইয়াৰ পূৰ্বে মনু ভাকৰে দেওবাৰে ১০ মিটাৰ এয়াৰ পিষ্টল শিতানত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। অলিম্পিকত অংশগ্ৰহণ কৰা প্ৰথম বৃটিছ ভাৰতীয় এথলীট  ন'ৰমন প্ৰীতচৰ্দে ১৯০০ চনত পেৰিছত অনুষ্ঠিত অলিম্পিক ক্ৰীড়া মহোৎসৱত দুটা ৰূপৰ পদক লাভ কৰিছিল।

বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধু আৰু মল্লযোদ্ধা সুশীল কুমাৰ অলিম্পিকত একাধিক পদক লাভ কৰা ভাৰতীয় খেলুৱৈ। অৱশ্যে খেলুৱৈ দুগৰাকীয়ে বেলেগ বেলেগ সংস্কৰণত পদক লাভ কৰিছিল। ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে পেৰিছ অলিম্পিকত প্ৰদৰ্শন কৰা উল্লেখনীয় সাফল্যৰ বাবে মনু ভাকৰ আৰু সৰবজোৎ সিঙলৈ অভিনন্দন জনাইছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সামাজিক মাধ্যমৰ এটা পোষ্টযোগে কৈছে যে, মনু ভাকৰে একেখন অলিম্পিকত দুটাকৈ পদক অৰ্জন কৰা দেশৰ প্ৰথমগৰাকী মহিলা শ্বুটাৰ হিচাপে ইতিহাস ৰচনা কৰিছে। ৰাষ্ট্ৰপতিয়ে কৈছে যে খেলুৱৈগৰাকীয়ে নিজৰ প্ৰদৰ্শনেৰে দেশক গৌৰৱান্বিত কৰিছে। তেওঁ লগতে মনু ভাকৰ আৰু সৰবজোৎ সিঙে ভৱিষ্যতে অধিক কৃতিত্ব অৰ্জন কৰিবলৈ সমৰ্থ হ'ব বুলি আশা প্ৰকাশ কৰে। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে খেলুৱৈ দুগৰাকীক প্ৰশংসা কৰি কৈছে যে, তেওঁলোকৰ সাফল্যই যুৱ প্ৰজন্মক অনুপ্ৰেৰণা যোগাই যাব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিৰ মাধ্যমৰ এটা পোষ্টযোগে কৈছে যে, ভাৰতীয় শ্বুটাৰসকলে দেশক গৌৰবান্বিত কৰি আহিছে। তেওঁ কয় যে মনু ভাকৰ আৰু সৰবজোৎ সিঙে অসাধাৰণ দক্ষতা আৰু দলীয় ভাৱনাৰ পৰিচয় দিছে। তেওঁ কয় যে মনু ভাকৰে নিৰন্তৰ নিষ্ঠা আৰু শ্ৰেষ্ঠত্বৰ পৰিচয় দি একেৰাহে দুটাকৈ অলিম্পিক পদক লাভ কৰিবলৈ সমৰ্থ হৈছে।

ইপিনে, সত্বিকসাইৰাজ ৰনকিৰেড্ডী আৰু চিৰাগ চেট্টীয়ে আজি জয়ৰ ধাৰা অব্যাহত ৰাখি বেডমিণ্টনৰ পুৰুষৰ ডাবলছৰ পুল পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত ইন্দোনেচিয়াৰ প্ৰতিদ্বন্দিক ২১-১৩, ২১-১৩ গেমত পৰাস্ত কৰে। উল্লেখযোগ্য যে ভাৰতীয় যুটীটোৱে ইতিমধ্যে কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। একেদৰে ভাৰতে হকীৰ পুল বিৰ এখন খেলত আজি আয়াৰলেণ্ডক ২ গলত পৰাভূত কৰে।

০০০

সমাপ্ত